**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 20-04-2025
**Time :** 0755 hrs

ASSAMESE MORNING BULLETIN

**::::::::::::::::::**

<u>HEDLINE</u>

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি নতুন দিল্লীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰি বিশ্ববৰেণ্য শিল্পী ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উদযাপনৰ উদ্বোধনী অনুষ্ঠানৰ বাবে তেওঁক আমন্ত্ৰণ জনায়। মুখ্যমন্ত্ৰীয়ে শ্ৰীমোদীক অসম জৈৱ ইথানল প্ৰকল্পৰ উদ্বোধন আৰু ৫ হাজাৰ ৭০০ কোটি টকা ব্যয় সাপেক্ষ গুৱাহাটী ৰিং ৰোড প্ৰকল্প তথা দৰং চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ আধাৰশিলা স্থাপনৰ বাবেও প্ৰধানমন্ত্ৰীক অনুৰোধ জনায়। উল্লেখযোগ্য যে অসম জৈৱ ইথানল প্ৰকল্পত ৩০০ কে টি পি এ বাঁহক কেঁচামাল হিচাপে ব্যৱহাৰ কৰি ৪৯ কে টি পি এ ইথানল উৎপাদন কৰিব পাৰিব। মুখ্যমন্ত্ৰী ড০ শৰ্মাই সামাজিক মাধ্যমযোগে প্ৰকাশ কৰা মতে প্ৰধানমন্ত্ৰীয়ে তেওঁৰ আমন্ত্ৰণ গ্ৰহণ কৰি অসমলৈ আহিবলৈ সন্মতি প্ৰকাশ কৰিছে। এই অনুসৰি অহা ৮ ছেপ্তেম্বৰত প্ৰধানমন্ত্ৰীগৰাকী অসমলৈ অহাৰ কথা। ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ বছৰজোৰা কাৰ্যসূচী বিশেষ জাক-জমকতাৰে পালন কৰা হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰিছে। এই সময়ছোৱাত তেখেতৰ ৰচনাৰাজী আৰু অন্যান্য সৃষ্টিমূলক কাম-কাজৰ প্ৰচাৰৰ বাবে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব। মুখ্যমন্ত্ৰীয়ে কালিৰ এই ভ্ৰমণকালত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহকো সাক্ষাৎ কৰে।

০০০০০

অহা ২ মে'ত হ'বলগীয়া প্ৰথম পৰ্যায়ৰ পঞ্চায়ত নিৰ্বাচনক লৈ ৰাজনৈতিক দলসমূহৰ মাজত তৎপৰতা বৃদ্ধি পাইছে। শাসক-বিৰোধী সকলো নিৰ্বাচনক লৈ ব্যস্ততা হৈ পৰিছে। ডিব্ৰুগড় জিলাত ইতিমধ্যে বহুকেইজন বিজেপিৰ প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়লাভ কৰিছে। জিলা পৰিষদত ৩ জন, আঞ্চলিক পঞ্চায়তত ১০ জন নিৰ্বাচিত হোৱাৰ লগতে পানীতোলা গাঁও পঞ্চায়তত দুজন ৱাৰ্ড সদস্য, লাহোৱাৰ গাঁও পঞ্চায়তত ১৫ জন, বৰবৰুৱাত ৯ জন, তেঙাখাটত ৩১ জন, জয়পুৰত ১৯ জন, খোৱাঙত ১৫ জন আৰু টিংখাং গাঁও পঞ্চায়ত ১২ জন ৱাৰ্ড সদস্যই বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈছে।

০০০০০

ভূটানৰ ৰজা জিগমে খেছাৰ নামগিয়াল ৱাংচুকে কালি অসম ভ্ৰমণ কৰি ভাৰতমালা প্ৰকল্পৰ অধীনত যোগীঘোপাত নিৰ্মীয়মান আন্তঃৰাষ্ট্ৰীয় বহুমুখী মাল্টি ম'ডেল ল'জিষ্টিক পাৰ্ক পৰিদৰ্শন কৰে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশ অনুসৰি মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই ভূটানৰ ৰজাগৰাকীক আদৰণি জনায়। ভাৰতমালা প্ৰকল্পৰ অধীনত নিৰ্মীয়মান পাৰ্কখনৰ কাম প্ৰায় সম্পূৰ্ণ হৈছে। পথ, ৰে'লপথ, বিমান আৰু জলপথৰ সুবিধাৰে ৰাষ্ট্ৰীয় ঘাইপথ আৰু আন্তঃগাঁথনি উন্নয়ন নিগমে পাৰ্কখন নিৰ্মাণ কৰি আছে। ব্ৰহ্মপুত্ৰ উপকূলত ৩১৭ একৰ ভূমি

সামৰা এই প্ৰকল্পই ৰাজ্যৰ অৰ্থনৈতিক উন্নয়নৰ ক্ষেত্ৰত প্ৰভূত অৰিহণা যোগাব। লগতে ভূটান, বাংলাদেশ প্ৰবৃত্তি চুবুৰীয়া দেশসমূহৰ সৈতেও ৰাজ্যৰ বাণিজ্য সূচল হৈ পৰিব। ভূটানৰ ৰজাগৰাকীয়ে এই প্ৰকল্প পৰিদৰ্শনৰ উপৰি ব্ৰহ্মপুত্ৰত নিৰ্মীয়মান অন্তঃজলপৰিবহণ বিভাগৰ প্ৰকল্পও পৰিদৰ্শন কৰে।

ooooo

ৰাজ্যত পঞ্চায়ত নিৰ্বাচনৰ তৎপৰতাৰ মাজতে সাদিনীয়াকৈ পালন কৰা ৰঙালী বিহুৰ আজি শেষৰ দিনা চেৰা বা এৰা বিহু পালন কৰা হৈছে। পৰম্পৰা অনুসৰি চেৰা বিহুৰ দিনা দৈ আৰু পঁইতা ভাত খোৱা হয় আৰু বিচনীৰে জুৰ লোৱা হয়। এনেদৰে বিচনীৰে জুৰ ল'লে বছৰটোলৈ দেহা শাঁত পৰি থাকে বুলি বিশ্বাস কৰা হয়।

ৰাইজে বাপতি সাহোন ৰঙালী বিহু পৰম্পৰাগতভাৱে পালন কৰাৰ লগতে ৰাজ্যৰ বিভিন্ন বিহু মঞ্চত বিভিন্ন সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰা হৈছে। এনে অনুষ্ঠানত জনপ্ৰিয় শিল্পীসকলে সংগীতানুষ্ঠানেৰে দৰ্শক-শ্ৰোতাক আমোদ দিয়া পৰিলক্ষিত হৈছে।

ooooo

আকাশবাণী গুৱাহাটীৰ বাতৰি পৰিবেশকসকলে শব্দৰ উচ্ছাৰণ, ভাষা আৰু ব্যাকৰণৰ শুদ্ধতাৰ ওপৰত গুৰুত্ব আৰোপ কৰি বাতৰি প্ৰস্তুত আৰু পৰিবেশন কৰা প্ৰয়োজন বুলি বিশিষ্ট সাহিত্যিক তথা অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ডং নগেন শইকীয়াই মন্তব্য কৰিছে।

শ্ৰোতা ৰাইজৰ মতামত আৰু অভিমতক লৈ কালি প্ৰচাৰিত বিশেষ দৃষ্টিপাত অনুষ্ঠানত ডং শইকীয়াই এই মন্তব্য কৰে। তেওঁ লগতে শব্দ বা বাক্য লিখাৰ ক্ষেত্ৰত খোকোজা দূৰ কৰাৰ বাবে এখন হাতপুথি প্ৰস্তুত কৰাৰ পোষকতা কৰে। অনুষ্ঠানটোত আকাশবাণীৰ প্ৰাক্তন বিষয়া তথা বিশিষ্ট শিক্ষাবিদ ডং কৰুণামোহন শৰ্মাইও বাতৰি বিভাগৰ কেইবাটাও অনুষ্ঠানৰ প্ৰসংগ উল্লেখ কৰি সন্তুষ্টি প্ৰকাশ কৰাৰ লগতে বাতৰি পৰিবেশকসকলক অনুশীলন কৰিবলৈ পৰামৰ্শ দিয়ে। কেইবাগৰাকীও শ্ৰোতা আৰু বিশিষ্ট ব্যক্তিয়ে নিজৰ মতামত ব্যক্ত কৰা এই অনুষ্ঠানত শ্ৰোতাসকলে ফোনযোগে অংশ লৈ বিভিন্ন পৰামৰ্শ আৰু অভিমত আগবঢ়ায়। এই অনুষ্ঠানত বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰে শ্ৰোতাসকলৰ প্ৰশ্নৰ সমিধান দিয়ে।

বাতৰি বিভাগে আজি সন্ধিয়া ৭ বাজি ৪৫ মিনিটত অসমীয়া বিয়াৰ পৰিৱৰ্তন আৰু কিছু চিন্তা-দুঃচিন্তা বিষয়ক এটি বিশেষ সংবাদ চলন্তিকা প্ৰচাৰ কৰিব। এই অনুষ্ঠানৰ পৰিকল্পনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ।

ooooo

ৰাজ্যত যোৱা ১৪ এপ্ৰিলৰ পৰা পালন কৰা অগ্নি নিৰ্বাপক সেৱা সপ্তাহৰ আজি সামৰণি পৰিব। এই সময়ছোৱাত ৰাজ্যৰ অগ্নি আৰু আপদকালীন সেৱা সঞ্চালকালয়ে অগ্নিকাণ্ডৰ পৰা হাত সাৰি থাকিবৰ বাবে জনসাধাৰণক সজাগ কৰিবলৈ ভালেমান কাৰ্যসূচী গ্ৰহণ কৰিছে। ইয়াৰ লগতে ৰাইজক জুই লগা ঘটনাৰ পৰা হাত সাৰিবলৈ বিভিন্ন বিভিন্ন পৰামৰ্শ জাৰি কৰিছে। এই অনুসৰি বিদ্যুতৰ বিভিন্ন আহিলাসমূহ নিয়মীয়াকৈ পৰীক্ষা কৰাৰ উপৰি শ্বৰ্ট চাৰ্কিটৰ পৰা হাত সাৰি থাকিবলৈ মিনিয়েচাৰ চাৰ্কিট ব্যৱহাৰৰ পৰামৰ্শ দিছে। তদুপৰি ঘৰৰ পৰা ওলাই যোৱাৰ আগতে সকলো বৈদ্যুতিক সা-সঁজুলি আৰু ৰন্ধন গেছৰ ৰেগুলেটৰ বন্ধ কৰি যাবলৈও কোৱা হৈছে। ৰন্ধন গেছৰ চিলিণ্ডাৰত জুই লাগিলে আতংকিত নহয় ন'বটো বন্ধ কৰিবলৈ আৰু জ্বলি থকা

চিলিঙাৰ তিতা কাপোৰেৰে ঢাকিবলৈ পৰামৰ্শ দিয়া হৈছে। বাসগৃহ, বিদ্যালয় আৰু অন্য প্ৰতিষ্ঠানত অগ্নিনিৰ্বাপণৰ আহিলাসমূহ সহজে ঢুকি পোৱা ঠাইত ৰখাৰ লগতে এইসমূহ নিৰাপদ আৰু ফলপ্ৰসূভাৱে ব্যৱহাৰৰ কৌশল শিকি ল'বলৈ কোৱা হৈছে। একেদৰে ঘৰত বা কৰ্মক্ষেত্ৰত নিয়মিতভাৱে অগ্নিনিৰ্বাপক বাহিনীৰ অনুশীলন কৰিবলৈ পৰামৰ্শ দিয়া হৈছে।

ooooo

সমাপ্ত